বি টি চি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে আজি তামুলপুৰ জিলাত কেইবাটাও উন্নয়নমূলক কামৰ শুভাৰম্ভ কৰে। তেওঁ গোৰেশ্বৰ চ'কৰ পৰা গোৰেশ্বৰ কলেজলৈ ২০২৫-২৬ অসম মালা আঁচনিৰ অধীনত নিৰ্মাণ কৰিবলগীয়া পথৰ লগতে আন্ধেৰীঘাটৰ পৰা ডিমাকুছি, বগামাটি হৈ বঙালীপাৰালৈ যোৱা পথ, ডাৰকুছিৰ পৰা সোণতলালৈ যোৱা পথৰ লগতে বি টি চিৰ মুঠ ছটা পথৰ আধাৰশিলা স্থাপন কৰে। পৰৱৰ্তী সময়ত পৰ্যায়ক্ৰমে বি টি চিৰ উন্নয়নমূলক কাম-কাজসমূহ কৰি যাব বুলিও বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য শ্ৰীমহিলাৰীয়ে মন্তব্য কৰে।

oooooo

ৰাজ্যৰ কৃষিক্ষেত্ৰৰ সম্ভাৱনা আৰু কৃষকলৈ সা-সুবিধা সন্দৰ্ভত আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অসম বীজ আৰু জৈৱিক প্ৰমাণিকৰণ অভিকৰণৰ প্ৰাক্তন সঞ্চালক তথা প্ৰাক্তন যুটীয়া কৃষি সঞ্চালক মৌচম হাজৰিকা আৰু সোণাপুৰ চক্ৰৰ কৃষি উন্নয়ন বিষয়া সুপ্ৰিয়া বৰাই অংশ ল'ব। অনুষ্ঠানত কেইবাগৰাকীও কৃষকে নিজৰ অভিজ্ঞতা বিনিময় কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

ooooooo

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত প্ৰচাৰ কৰা মঙলদৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত পশ্চিম মঙলদৈ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া মৃণ্ময় হাৈলৰ সাক্ষাৎকাৰটি  নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ মঙলদৈৰ সংবাদদাতা ময়ুখ গোস্বামীয়ে।

ooooooo

কেন্দ্ৰীয় চৰকাৰৰ বিত্ত বিভাগৰ অধীনত সমগ্ৰ দেশৰ লগতে অসমৰো ভিন ভিন অঞ্চলত ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াৰ সৌজন্যত সজাগতা সভা অনুষ্ঠিত হৈছে। হোজাই জিলাতো বিভিন্ন বেংকৰ শাখা প্ৰবন্ধকসকলৰ সহযোগত আজি নাজিৰ আজমল মেম'ৰিয়েল কলেজ অব এডুকেশ্যনৰ সহযোগত এখন সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত নিষ্ক্ৰিয় হৈ থকা একাউণ্টৰ ধন আত্মীয় বা উত্তৰাধিকাৰীক কে ৱাই চি দাখিল কৰি বিভাগীয় নিয়ম অনুসৰি তুলি লোৱাৰ বাবে বেংকৰ বিষয়াসকলে আহ্বান জনায়। উল্লেখযোগ্য যে হোজাইৰ বেংকত গ্ৰাহকৰ ১০ কোটিতকৈও অধিক টকা এতিয়াও জমা হৈ আছে। এই টকাসমূহ উপযুক্ত গ্ৰাহকক ওভতাই দিয়াৰ বাবে এই সজাগতা সভাৰ অনুষ্ঠিত হয়। সভাত লগতে মৃত্যু হোৱা ব্যক্তিৰ নামৰ একাউণ্টত থকা ধনকে ধৰি বিভিন্ন শিতানত জমা হৈ থকা পুৰণি বেংক একাউণ্টৰ সম্পত্তিৰ বিষয়ে বিশেষভাৱে আলোচনা কৰা হয়। জমা হৈ থকা টকা গ্ৰাহকে কিদৰে সংগ্ৰহ কৰিব পাৰিব সেই বিষয়ত সভাত পৰামৰ্শ আগবঢ়োৱা হয়।

ooooooo

ৰাজ্যৰ বিভিন্ন অংশত আজি ৬৩ সংখ্যক সদৌ ভাৰত অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনী দিৱস উদযাপন কৰা হৈছে। গুৱাহাটীৰ পানীখাইটিৰ কেন্দ্ৰীয় প্ৰশিক্ষণ প্ৰতিষ্ঠানত এই দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হৈছে। অনুষ্ঠানত অসামৰিক প্ৰতিৰক্ষা বিভাগ আৰু গৃহৰক্ষী বাহিনীৰ জোৱানসকলে পেৰেড প্ৰদৰ্শন কৰাৰ লগতে অস্ত্ৰ-শস্ত্ৰ সঞ্চালনৰ সমৰকলা প্ৰদৰ্শন কৰে। তদুপৰি জৰুৰীকালীন সময়ত অথবা যুদ্ধৰ সময়ত

